পাছত দিন বছৰৰ পাছত বছৰ আন্দোলন আদিত অৱতীৰ্ণ হ'বলগীয়া হয় তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰত কেনে প্ৰভূত ক্ষতি হ'ব পাৰে সি সহজেই অনুমেয়। শাসনত অধিষ্ঠিত যিকোনো দলৰ চৰকাৰেই সেয়ে বাইজৰ ন্যায্য দাবী, অভাৱ অভিযোগ আওকাণ কৰি তেনে এক বাতাবৰণ সৃষ্টি কৰাত ইন্ধন যোগাব নালাগে—যি বাতাবৰণত ৰাইজ আৰু ছাত্ৰ সমাজে আন্দোলনৰ পথ লব লগীয়া হয়। ছাত্ৰ সমাজেও অৱশ্যে এনেবোৰ ক্ষেত্ৰত চূড়ান্ত সংযম আৰু সুবিবেচনাৰ পৰিচয় দিয়া উচিত।

জনসংখ্যা বৃদ্ধিৰ সমস্যা, অবৈধ বিদেশী বহিৰাগতৰ সমস্যা, কৰ্ম সংস্থানৰ তথা চাকৰিত নিয়োগৰ সমস্যা, বেপাৰ-বাণিজ্য আদি থলুৱা লোকৰ হাতছাৰা হৈ যোৱাৰ অৱস্থা আদিয়ে ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত যি সঙ্কটৰ সৃষ্টি কৰিছে সেই সঙ্কটাপন্ন অৱস্থাৰ প্ৰতি আজিৰ ছাত্ৰ সমাজ ক্ৰমান্বয়ে সচেতন হৈ উঠিছে আৰু তাৰ অনিবাৰ্য ফলশ্ৰুতি হিচাপে যে তেওঁলোক হতাশগ্ৰস্ত হৈ পৰিছে সেই কথা অস্বীকাৰ কৰিব পৰা নাযায়। এনেকুৱা অৱস্থাত চৰকাৰ আৰু ৰাইজৰ কৰণীয় বহুত। নিয়োগৰ ক্ষেত্ৰত চৰকাৰেই হওক বা ব্যক্তিগত খণ্ডত মালিক সকলেই হওক থলুৱা শিক্ষিত আৰু অৰ্হতাসম্পন্ন যুৱকক অগ্ৰাধিকাৰ দিয়া, নিয়োগৰ সুবিধা থকা প্ৰতিষ্ঠান সমূহত অদূৰ আৰু সুদূৰ ভৱিষ্যতে নিয়োগৰ সুবিধা পোৱাৰ বাবে চৰকাৰে দূৰদৰ্শিতাৰে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি থলুৱা শিক্ষিত যুৱকক উপযুক্ত কৰি তোলা আৰু বিশেষকৈ কৰ্মমুখী শিক্ষাৰ বহুল ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যতে চাকৰিৰ সলনি নিজৰ ভৰিত থিয় হোৱাৰ বাবে প্ৰস্তুত কৰা আৰু তেনে মনোবৃত্তি এটা গঢ়ি তোলা আদি এই দিশত অগ্ৰাধিকাৰ ভিত্তিত কৰিব-লগীয়া কাম। অৱশ্যে চৰকাৰে এইবিলাক দিশত কিছু কাম কৰিছে যদিও পৰিস্থিতিৰ প্ৰয়োজন অনুসাৰে সেয়া যেন যথেষ্ট নহয়। কৰ্মমুখী শিক্ষাৰ বহুল আৰু সহজলভ্য সুবিধা আৰু ব্যৱস্থা নথকা কাৰণেই যে আজিকালি হেজাৰ হেজাৰ অনিচ্ছুক আৰু অনুপযুক্ত ছাত্ৰ-ছাত্ৰীয়েও গতানুগতিক শিক্ষাত শিক্ষা গ্ৰহণ কৰি আছে আৰু তাৰ ফলস্বৰূপে তেওঁলোক শিক্ষক, অভি-ভাৱক, সমাজ তথা দেশৰ বোজা স্বৰূপ হৈ পৰিছে আৰু লগতে যুৱশক্তিৰ বৃহৎ অংশ এটাৰ অপচয় হৈছে সেই কথা কোৱা নিষ্প্ৰয়োজন।

আজি এগাম ছাত্ৰ-ছাত্ৰীৰ মানসিকতা আৰু মানৱীয় মূল্যবোধৰ যি বিৰাট অৱক্ষয় ঘটিছে সি সঁচাকৈয়ে শৈক্ষিক পৰিবেশৰ চূড়ান্ত পৰি-পন্থী আৰু গভীৰ চিন্তাৰ এক সামাজিক সমস্যা। ৰেগিঙৰ নামত অশ্লীলতা, উৎপীড়ন, পৰীক্ষা গৃহত ছাত্ৰ-ছাত্ৰীৰ অন্য উপায় অৱলম্বন, ছাত্ৰৰ দ্বাৰা পৰীক্ষা গৃহৰ নিৰীক্ষক-শিক্ষক লাঞ্ছিত, প্ৰহৃত হোৱা, একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজত সদ্যহতে বিয়পি পৰা ৰাগিয়াল দ্ৰব্যৰ প্ৰচলন আৰু ছাত্ৰ-ছাত্ৰী কিছুমানৰ দ্বাৰা সময়ে সময়ে সংঘটিত হোৱা নানা অসামাজিক কাৰ্য-কলাপ আজি আৰু কাৰো অবিদিত হৈ থকা নাই। কিছু সংখ্যক ছাত্ৰৰ এই প্ৰৱণতাই সময়ত বিস্তৃতি লাভ কৰাৰ আগতে সমূলঞ্চে নাশ কৰাৰ বাবে

চৰকাৰ, শিক্ষানুষ্ঠানৰ কর্তৃপক্ষ, শিক্ষক, অভিভাৱক আৰু সুধী ৰাইজৰ সক্রিয় যৌথ প্রচেষ্টা একান্ত প্রয়োজনীয়।

শৈক্ষিক পৰিবেশৰ অৱনতিত ইন্ধন যোগোৱা আন দুটামান কাৰণৰ ভিতৰত ভুল-ভ্রান্তিৰে ভৰা সহায়ক পুথিৰ বহল প্রচলন আৰু কেৱল পৰীক্ষা বৈতৰণী পাৰ কৰাই দিয়াৰ বাবে এচাম শিক্ষকে কৰা গৃহ-শিক্ষকতা উল্লেখনীয়। উল্লিখিত ধৰণৰ সহায়ক পুথিবোৰৰ ক্ষতিকাৰক দিশৰ বিষয়ে শিক্ষক, অভিভাৱক, চৰকাৰৰ শিক্ষা বিভাগ আদি সকলো সচেতন যদিও সেইবোৰৰ ব্যৱহাৰত কোনো ধৰণৰ বাধা-নিষেধ আৰোপ কৰাটো এতিয়ালৈ সম্ভৱ হৈ উঠা নাই। সেইদৰে গৃহ-শিক্ষকতাৰ সন্দৰ্ভত যদিও বিৰূপ মনোভাৱ কাগজে পত্রে, আলোচনা বিলোচনাই সঘনে প্রকাশ কৰা হয় কার্যতঃ তাক তিলমাত্রও বোধ কৰিব পৰা হোৱা নাই। স্কুল কলেজত চাকৰি কৰা বহু শিক্ষকে ঘৰতে বেঞ্চ-ডেস্ক-বোর্ডৰ ব্যৱস্থা কৰি শিক্ষা-দানৰ ব্যৱসায় কৰা শুনা যায়। এনে শিক্ষকৰ কিছুমানৰ বিৰুদ্ধে ঘৰত ছাত্র-ছাত্রী লাভ কৰাৰ উদ্দেশ্যে স্কুল কলেজত পাল মাৰি শিক্ষা-দান কৰাৰ নিচিনা অপ্রিয় আৰু গুৰুতৰ অভিযোগো শুনা যায়। বিষয় একোটাৰ মৌখিক কথা কিছুমান পুংখানুপুংখভাৱে ছাত্র-ছাত্রীক শিকাই দিয়াৰ ক্ষেত্রত কেতিয়াবা গৃহ-শিক্ষকৰ প্রয়োজন আছে বুলি ভবাৰ অৱকাশ আছে যদিও বর্তমান স্কুল-কলেজত কাম কৰি থকা কিছুমান শিক্ষকৰ বাবে গৃহ-শিক্ষকতা অর্থ উপার্জনৰ অতিৰিক্ত উপায় আৰু কিছু সংখ্যক ছাত্র-ছাত্রীৰ কেৱল পৰীক্ষা বৈতৰণী পাৰ হোৱাৰ উপায়ত পৰিণত হোৱা যেনহে দেখা গৈছে। নকলেও হব, এই ধৰণৰ ব্যৱসায়ধর্মী আৰু পৰীক্ষামুখী শিক্ষাদান কার্যই এহাতে শিক্ষাৰ মূল উদ্দেশ্য পূৰণত ব্যৰ্থ হয় আৰু আনহাতে কিছু সংখ্যক ছাত্র-ছাত্রীক শ্রেণীত অনিয়মীয়া, অমনোযোগী কৰি তুলি শৈক্ষিক পৰিবেশৰ অৱনতিত ইন্ধন যোগায়। গৃহ-শিক্ষকতাত আত্ম-নিয়োগ কৰা এনে শিক্ষকসকলৰ কোনো কোনোৱে যদি ছাত্র সমাজৰ প্রতি থকা তেওঁলোকৰ দায়বদ্ধতাৰ কথা উপলব্ধি কৰি নিজৰ দক্ষতা থকা আৰু ছাত্র-ছাত্রীয়ে টান পোৱা একো একোটা জটিল বিষয়ৰ (যেনে, ইংৰাজী গ্রামাৰ, অঙ্ক, বিজ্ঞানৰ কোনো কোনো বিষয়) জটিল অধ্যায় দুই চাৰিটাৰ প্রাথমিক আৰু মৌলিক কথাবিলাক সম্ভাব্য উদাহৰণ সহ পুংখানুপুংখ ৰূপত আলোচনা কৰি পুথি প্রণয়ন কৰে (কলেৱৰ সৰু বাবে এনে পুথিৰ ছপা খৰচ কম হব, আৰু ছপাবলৈ লিখকৰ নিজৰ আৰ্থিক সম্বল নাথাকিলে আৰ্থিক অনুদান আদি পোৱাত কঠিন নহব বুলিয়ে আমাৰ ধাৰণা) তেনেহলে তেওঁলোকে গৃহত শিকোৱা মুষ্টিমেয় ছাত্র-ছাত্রীৰ সলনি বৃহত্তৰ ছাত্র সমাজৰ উপকাৰ সাধন কৰা হ'ব। পৰিসৰ সৰু হ'লে পুংখানুপুংখ আলোচনাৰ সুবিধা থাকে বুলিয়ে একোটা বিষয়ৰ জটিল দুই চাৰিটা অধ্যায়ৰ ওপৰতহে উল্লিখিত ধৰণৰ পুথি ৰচনা কৰাৰ কথা কোৱা হৈছে। কিন্তু দুখৰ বিষয়, তেনে প্রয়াস দেখা নাযায় বুলিয়ে কব পাৰি হয় প্রণেতাৰ প্রয়োজনীয় দক্ষতা তথা সাহসৰ অভাৱত-

নহয় তেনে পুথি লিখি নিজে নিজৰ উপাৰ্জনৰ পথ বন্ধ কৰাৰ ভয়ত। অথচ ছাত্ৰৰ নিজস্ব মৌলিকতাৰ উৎকৰ্ষ-বিকাশত বাধাৰ সৃষ্টি কৰাকৈ একোটা বিষয়ৰ বা একোখন কিতাপ সম্ভাৱ্য প্ৰশ্ন কিছুমানৰ ভুলে-ভ্ৰান্তিৰে উত্তৰ লিখি বৃহৎ আকাৰত ছপোৱা সহায়ক পুথি, কিছুমান ক্ষেত্ৰত পূৰ্ণাঙ্গ কিতাপ এখন প্ৰণয়ন কৰাৰ অজুহাতত জটিল অধ্যায় বা বহু জটিল কথাৰ সুব্যাখ্যা নকৰি পাল মাৰি লিখা অথবা একে বিষয়তে এজনে লিখা এখনৰ আহিঁৰে (কোনো কোনো ক্ষেত্ৰত কেতিয়াবা অনুকৰণে বুলিবৰ মন যায়) আন এজনে লিখা কিতাপেৰে বজাৰ ভৰি আছে।

শিক্ষাৰ মানদণ্ড উন্নতিত শিক্ষক-শিক্ষয়িত্ৰীৰ অৰ্হতাৰ কি অপৰিহাৰ্যতা কোৱা বাহুল্য মাত্ৰ। শিক্ষক নিয়োগৰ ক্ষেত্ৰত সেয়ে যোগ্যতাৰ মাপ-কাঠি একমাত্ৰ ভিত্তি হব লাগে আৰু কাৰ্যত তাক নিকপকপীয়াকৈ মানিও চলিব লাগে।

শিক্ষাৰ মানদণ্ড উন্নতিৰ কাৰণে আৰু কিছুমান কথাত গুৰিৰ পৰাই মনোযোগ দিয়া প্ৰয়োজন। উদাহৰণ স্বৰূপে, হাইস্কুলৰ একেবাৰে নিম্নতম শ্ৰেণীৰ পৰা ইংৰাজী, অঙ্ক আদি বৃহৎ সংখ্যক ছাত্ৰই সততে টান পোৱা আৰু অকৃতকাৰ্য হোৱা কিছুমান বিষয়ত বিষয়-শিক্ষক নিয়োগ কৰিব লাগে। এই শিক্ষক সকলে মূলতঃ একেটা বিষয়হে শিকাব - নিম্নতম শ্ৰেণীৰ পৰা উচ্চতম শ্ৰেণীলৈ। প্ৰয়োজনীয় দক্ষতা আৰু ৰাপ নথকা শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা এনেবোৰ বিষয়ত বা আন যি কোনো বিষয়তে শিক্ষাদান কৰিলে ছাত্ৰ সমাজৰ কেনে প্ৰভূত আৰু সুদূৰ প্ৰসাৰী ক্ষতি সাধন হব পাৰে সি সহজে অনুমেয়। চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই আন আন দৰ্কাৰী কথাৰ লগতে এইবিলাক কথাও চিন্তা কৰি উপযুক্ত ব্যৱস্থা ললে শিক্ষাৰ মানদণ্ড তথা শৈক্ষিক পৰিবেশৰ সুপৰিৱৰ্তন আশা কৰিব পৰা যায়।

— x —

## নেহৰুৰ দৃষ্টিত ঃ

... হিন্দু আৰু মুছলমান সংস্কৃতি সম্বন্ধেও সেই কথাকে ক'ব পাৰি। আন কথা নকওঁৱেই, জাতীয় সংস্কৃতিৰ দিনেই আজি যাওঁ যাওঁ, গোটেই জগতত এটা সাংস্কৃতিক ঐক্য ফুটি উঠিছে। জাতিসমূহ থাকিব, বহুদিন ধৰি তেওঁলোকৰ নিজৰ নিজৰ বিশেষ ভাষা, অভ্যাস, চিন্তাধাৰা লৈ থাকিব, কিন্তু যন্ত্ৰযুগ আৰু বিজ্ঞান, বেগী যাতায়াতৰ ব্যৱস্থা, অক্লান্তভাৱে কামত লাগি থকা এই জগতখনৰ বাতৰি সৰবৰাহ, ৰেডিঅ', চিনেমা আদিয়ে তেওঁলোকক এটা সাঁচতে গঢ়ি তুলিব। কোনেও তাৰ গতিৰোধ কৰিব নোৱাৰিব।'

০ ০ ০ ০ ০

... মই কোৱা নাই যে, ধাৰ্মিক সকলৰ মাজত উচ্চতম আধ্যাত্মিক বা নৈতিক জীৱন নাছিল বা এতিয়া নাই। কিন্তু ইয়াৰ অৰ্থ হৈছে পৰলোকৰ জোখেৰে নুজুখি যদি ইহজগতৰ জোখেৰে নীতি আৰু আধ্যাত্মিকতাৰ জোখ লোৱা হয় তেতিয়াহ'লে ধৰ্ম প্ৰৱণতাই জাতিৰ নৈতিক আৰু আধ্যাত্মিক উন্নতিত সহায় নকৰে, বৰং বাধাহে দিয়ে। ধৰ্ম সাধাৰণতে ঈশ্বৰ বা পৰমাত্মাৰ লগত মিলিত হ'বৰ কাৰণে অনুসন্ধান আৰু ধাৰ্মিক মানুহে সমাজৰ কল্যাণতকৈ নিজৰ মুক্তি লৈয়েই বেছি ব্যস্ত থাকে। নৈতিক আদৰ্শৰ লগত সামাজিক প্ৰয়োজনৰ কোনো সম্পৰ্ক নাই। ই উচ্চ স্তৰৰ দাৰ্শনিক পাপবাদৰ ওপৰত প্ৰতিষ্ঠিত। এই কাৰণেই প্ৰণালীবদ্ধ আনুষ্ঠানিক ধৰ্ম স্বাভাৱিকতে ন্যস্ত স্বাৰ্থত পৰেগৈ আৰু সকলো ধৰণৰ পৰিৱৰ্তন আৰু উন্নতিৰ বিৰোধী শক্তিৰূপে কাৰ্য কৰি থাকে। ......

০ ০ ০ ০ ০

... দাৰিদ্ৰ আৰু দুখ-ভোগ, মই হ'লে কেতিয়াও প্ৰশংসা কৰিব নোৱাৰোঁ। সেয়া কাম্য বস্তু বুলি মই কেতিয়াও নেভাবোঁ। মোৰ মতে সিহঁত লুপ্ত হৈ যোৱাহে উচিত। গাইগুটীয়াকৈ কাৰোবাৰ পক্ষে ভাল হ'লেও সামাজিক আদৰ্শ হিচাপে তপস্বী-জীৱনৰ সাৰ্থকতা মই বুজি নেপাওঁ। সৰলতা, সমতা, আত্মসংযমৰ মূল্য আৰু মৰ্যাদা বুজি পাওঁ, কিন্তু দেহটোক কষ্ট দিয়াৰ অৰ্থ বুজি নেপাওঁ। ব্যায়াম-বীৰে যেনেকৈ শৰীৰটো নিয়মৰ মাজেদি গঢ়ি তুলিবলগীয়া হয়, তেনেকৈয়ে মই বিশ্বাস কৰোঁ, মন আৰু অভ্যাসবিলাক নিয়ন্ত্ৰণ কৰি শাসনলৈ আনিব লাগিব। যি মানুহৰ সংযম অতি কম, সি বিপদৰ সময়ত দুখ সহ্য কৰিব বা অসাধাৰণ আত্মসংযম দেখুৱাব, বা বীৰৰ দৰে কাম কৰিব; সেইটো বিশ্বাস কৰিব নোৱাৰি। শৰীৰ ভাল কৰিবৰ হ'লে যেনেকৈ নিয়ম পালন কৰিবলগীয়া হয়, চৰিত্ৰ ভাল কৰিবৰ হ'লেও তেনেকৈ নিয়মৰ আৱশ্যক। কিন্তু তাৰ অৰ্থ তপস্বী জীৱন বা আত্ম-পীড়ন হ'ব, তাৰ কোনো অৰ্থ নাই। ..

( অসম প্ৰকাশন পৰিষদৰ দ্বাৰা অনূদিত জৱাহৰলাল নেহৰু আত্মজীৱন চৰিতৰ পৰা )

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি—১৯৮৭-৮৮



বহি ( বাওঁফালৰ পৰা ) : অধ্যাপক মজিবৰ ৰহমান ( তত্বাৱধায়ক—তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপক দিলীপ দাস ( তত্বাৱধায়ক—'জৱাহৰ জ্যোতি' ), অধ্যাপক দ্বিজেন দাস ( তত্বাৱধায়ক খেল বিভাগ ), অধ্যাপক বসন্ত দত্ত ( তত্বাৱধায়ক - সাংস্কৃতিক বিভাগ ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক শৰত তালুকদাৰ ( উপ সভাপতি ), অধ্যাপক ভবেশ গোস্বামী ( তত্বাৱধায়ক — ছাত্ৰ জিৰণি কোঠা ), অধ্যাপিকা কমিতা ফুকন ( তত্বাৱধায়িকা— ছাত্ৰী জিৰণি কোঠা ) ।

থিয় হৈ ( বাওঁফালৰ পৰা ) : মহেশ দাস ( চৌকিদাৰ ), গোপীনাথ চৌধুৰী ( সম্পাদক—খেল বিভাগ ), প্ৰণয় কলিতা ( সম্পাদক—সমাজ সেৱা ), বিপুল দাস ( সম্পাদক—ছাত্ৰ জিৰণি কোঠা ), মনোমোহন কলিতা ( সাধাৰণ সম্পাদক ), জাহ্নৱী দাস ( সম্পাদিকা—সাংস্কৃতিক বিভাগ ), দুৰ্গাবাণী কলিতা ( সম্পাদিকা—তৰ্ক আৰু আলোচনা চক্ৰ ), লীলা দাস ( সম্পাদিকা—ছাত্ৰী জিৰণি কোঠা ), শংকৰ মহন্ত ( সম্পাদক—'জৱাহৰ জ্যোতি' ) ।

# কবিতা

## বিবস্ত্ৰা নাৰীৰ দৰে

শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা
৩য় বাৰ্ষিক, স্নাতক মহলা

মই নিজে নিজক
কবৰ দিয়াৰ সময়ত
কঠিন শিলৰ
কলিজা ফালি
নদীখন নামি আহিছিল
ছায়া ঘন পাইন
গছৰ তলে তলে··· ··· ···
ফিৰ্ ফিৰিয়া
বতাহ সাবটি।
তাৰ ওপৰত
ৰক্তাক্ত আকাশখন
থৰ্ থৰাই কঁপিছিল··· ··· ···
নদীখনে ওৰে ৰাতি
উচুপি আছিল··· ··· ···
নদীখনে চিঞৰিছিল··· ··· ···
বিবস্ত্ৰা নাৰীৰ দৰে॥

## অনাহাৰিত জন-জীৱনৰ বাবে

শ্ৰীৰজনী কান্ত বড়ো
১ম বাৰ্ষিক, উঃ মাঃ

আই,
তোমাৰ কৰুণাময় হাতৰ পৰশত
মই উদ্ভাসিত হ'ব বিচাৰিছোঁ
মোৰ গোটেই গা জুৰি বিষ
বিষাদত ম্ৰিয়মান আকাশ
মোক বাৰে বাৰে ঢকিয়াইছে
যৌৱনৰ উজ্জ্বল শিখাই
এই যে এন্ধাৰ
এই যে দুৰ্গন্ধময় সময়
নিশ্বাসো নহয় স্বচ্ছন্দ
তাৰ বাবে মোৰ প্ৰতিবাদ
আইৰ পুঞ্জীভূত দুখৰ স্তূপ ভাঙিবলৈ
এই মোৰ অপ্ৰতিহত যাত্ৰা
আই,
তোমাৰ কৰুণাময় হাতৰ পৰশত
মই উদ্ভাসিত হ'ব বিচাৰিছোঁ
হেজাৰ হেজাৰ অনাহাৰিত জন-জীৱনৰ বাবে।

# আকাল

শ্ৰীগোপাল চন্দ্ৰ কলিতা
১ম বাৰ্ষিক, উঃ মাঃ

(১)

খৰত ফাটি গ'ল পথাৰৰ বৰণ দিয়া মাটি
পথাৰমুৱা যুৱা ৰোৱণীৰ শুকান মুখ
আৰু
কেঁচুৱাটোক বোকোচাত লৈ
সাজেতিৰ সাজলৈ চিন্তা
হালোৱা জন কেতিয়া পাবহি ?
ভঁড়ালৰখীয়া নিগনিজাক এতিয়া নিশব্দ
চৌকাত বহি মেকুৰীজনীয়ে আগঠেং চেলেকিছে
বাৰীৰ পিছৰ তেতেলী জোপাৰ তলত বহি
কুকুৰটোৱে শুকান হাড় কামুৰিছে
আকৌ চিনাকি দবাৰ মাত
এতিয়াও কৃষকৰ প্ৰাৰ্থনা
পানী ! পানী ! প্ৰাণ
জোক ডোবা পথাৰত
কিবা আছে জান-বাট ?
নতুবা চেষ্টাৰ ত্ৰুটি নাই
আকৌ প্ৰাৰ্থনা
হা প্ৰাণ
প্ৰাণ—মোৰ, পানী
নেজানেঁ।
আকাশত কিয়
পঙ্ পঙাই ঘূৰিছে পানীপিয়া জাক !!

* * *

ক'লা মেঘৰ টুকুৰাবোৰে
আকাশ ছানি ধৰিলে
কলহৰ কাণে ঢালা বৰষুণ
খেতিয়কৰ হিয়াত আশাৰ সঞ্চাৰ
কিন্তু !
কিন্তু ! এয়া কি !!
হায়, পানী ভেটা আলিবোৰ ভাগি গ'ল
হিল-দল ভাঙি আলিবোৰ বৈ আহিছে
মানুহৰ ঘৰে-দুৱাৰে
জীৱ-জন্তুৰ আলৈ-আথানি
হাহাকাৰ—
নাই চাৰি মুঠি জীৱৰ আশ্ৰয় স্থল
প্ৰভু মোৰ—
এয়া কি মোৰ প্ৰাণ ?
পানী-প্ৰাণ মোৰ
প্ৰাৰ্থনা কৰোঁ কাক ?
বাৰে বাৰে খৰ পোকে মাতিছে
বাৰে বাৰে পানীপিয়াবোৰ উৰিছে
চাৰিওফালে হাহাকাৰ
অখাদ্য আৰু বেমাৰ
ধনী মহাজনৰ ঘৰত তলাবন্ধ।

(২)

কেনেকৈ ঢাকিম ??
ফালিলে
সিয়নি দিবৰ উপায় নাই
বাহিৰত ফিৰ্ ফিৰিয়া বতাহ
কেঁচুৱাটোৱে কান্দি উঠিছে
ধোঁৱাই থকা জাৱৰৰ দ'মটো
জ্বলিব কেতিয়া ???

## এনেদৰে পাৰ হয়

মিচ্ মীৰা মহন্ত
২য় বাৰ্ষিক, উঃ মাঃ

মোৰ কঁহুৱা কোমল ভগা হিয়াৰ
ফাকত ওলমি আছে
হেজাৰ কবিতাৰ ছন্দ
মোৰ বুকুৰ জুবিটিব শীতল পানীত
তৃষ্ণাতুৰ বহুজনে মুখ থলে
এতিয়া তাত এমখা উষ্ণ বালি
পাৰ কৰিছোঁ অনিশ্চয়তাৰে
প্ৰতিটো প্ৰত্যুষ।

## দুখৰ চকুলো

শ্ৰীপৰাগ ঠাকুৰীয়া
১ম বাৰ্ষিক, স্নাতক মহলা

প্ৰতিটো প্ৰহৰৰ
তেজৰ চেঁকুৰা লাগি আছে
বগা সাজ যোৰত
মই জানোঁ
বিগত কালৰ পাত লুটিয়ালে
তোৰ বুকুখন কঁপি উঠে
ৰুদ্ধ হ'ব খোজে
প্ৰাণৰ স্পন্দন
আই মোৰ
দুহাতেৰে মচি দিম
তোৰ দুখৰ চকুলো।

---

'ধানৰ দ'মত তেজপিয়াৰ বণচালি।
তেজপিয়াৰ বংশ নাশলৈ কিমান দিন বাকী।'

—হেম বৰুৱা

## ব্যক্তিগত

শ্ৰীগিৰীন্দ্ৰ কুমাৰ নাথ
৩য় বাৰ্ষিক, স্নাতক মহলা

সযতনে সংগোপনে
সঞ্চিত শব্দবোৰ
ইয়াতে আছে
হেৰোৱা দিনৰ
বেদনা মোৰ
অশান্ত বতাহে
তাকো নিয়ে উৰুৱাই
তথাপি তোমাৰ স্মৃতিয়ে
মোৰ জীৱন পোহৰায়।

## সোঁৱৰণ

শ্ৰীমোহন বৈশ্য
১ম বাৰ্ষিক, উঃ মাঃ

প্ৰেম, প্ৰেম, এক সীমাহীন
শান্তিৰ আলয়
প্ৰেমৰ চকুৰ নীলাত দীপ্তিমান
এথুপ ছন্দৰ প্ৰবাহশালিনী কবিতা
শুই থাকে এখন সুন্দৰ পৃথিৱী
প্ৰেমৰ সূৰ্যই সীমান্তক
অতিক্ৰম কৰি আবৰি ধৰে
সত্যৰ বাসনা
প্ৰেমৰ মায়াত জ্বলে
অনুসন্ধানৰ শিখা
নিবিড় মৰমত উজলি উঠে
সুখ-দুখৰ ক্ৰমাগত দিনবোৰ।

---

'ঘাটত বহি আছিল এজন নিমাত-নিবোল মুদৈ
মই সুধিছিলোঁ, চাউলৰ দাম কি?
তেওঁ কৈছিল, বতৰটো বৰ ধেমেলীয়া।'

— বীৰেশ্বৰ বৰুৱা

---

## সেই দিন

মিচ্ ৰশ্মি ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

সেই দিন কেতিয়া আহিব
যেতিয়া পৃথিৱীৰ অন্ধকাৰ কোণে কোণে
জ্যোতিৰ্ময় নৱদীপ জ্বলি উঠিব
জীৱনৰ প্ৰত্যেক পথত
আশাৰ ফুল ফুলাই
মানুহৰ মুক্তিৰ পথ ৰচিব
সেই দিন কেতিয়া আহিব
য'ত প্ৰতিকূল হেঁচুকি
মানৱতাই অনৰ্গল কথা ক'ব ।

## বিস্ফোটক

শ্ৰী ভোগেশ্বৰ ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

স্বাধীনতাৰ পূৰ্বৰ পথাৰখন
আজিও জীপাল হোৱা নাই
শুকান পছোৱা ভগনীয়াৰ সোঁত
আজিও অন্ত হোৱা নাই
জনসংখ্যাৰ বৰ্দ্ধিত বিস্ফোটক
ভাত কাপোৰ আৰু আশ্ৰয়ৰ কল্পিত সপোন
সমাজ শাসন সকলোতে
অস্থিৰ কুহেলিকা—
নিৰুদ্বেগ দেশৰ মানুহ
এনেকৈ আৰু কিমান দিন !

---

'আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম । সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু । সপোন অন্ধ যি গলিত
আমি থাকোঁ তাৰ নয়ানজুলিত সিহঁতৰ ভৱিষ্যত ।'

—নৱকান্ত বৰুৱা

---

## উভতি নাচালা

শ্ৰীনলিনী কুমাৰ খাখলাৰী
১ম বাৰ্ষিক, উঃ মাঃ

নিৰিবিলি আবেলি নদীৰ পাৰত
তোমাক বহি থকা দেখিছিলোঁ।
মৃদু সমীৰণত ঢৌ খেলি যোৱা
তোমাৰ চুলিটাৰি ক'লা ডাৱৰৰ
দৰেই লাগিছিল
ভাহি আহিছিল এটি
স্নিগ্ধ সুবাস
ভাব হৈছিল তোমাৰ কাষত বহি
নোকোৱা বহু কথা কম
তুমি নুশুনা বহু গীত গাম
তুমি দেখোন উভতি নাচালা।

## প্ৰেম

শ্ৰীপ্ৰদীপ দাস
১ম বাৰ্ষিক, উঃ মাঃ

মোৰ মনৰ মঞ্চত
আবেগেৰে কত গান গালোঁ।
কত ভাও দিলোঁ যতনেৰে
আঁকি গলোঁ অনেক ছবি
জীৱনৰ জোনাক বিচাৰি
ভাৱনাৰ নাই শেষ
জীৱনৰ পথে পথে
পালোঁ মাথো অলেখ ক্লেশ
লক্ষ্য মোৰ থাকিল দূৰত।

'মই দুখৰ লগত খেলো, জিকোৱেই বা হাৰো
অবিচলিত মোৰ আয়সলব্ধ আনন্দ।'

—হীৰেন ভট্টাচাৰ্য

## বসন্তই সাৰ পায়

শ্ৰীললিত চন্দ্ৰ ৰাভা
১ম বাৰ্ষিক, উঃ মাঃ

কুলি কেতেকীৰ মাতত
সাৰ পায় বসন্ত
হাঁহি হাঁহি ফুলি থকা
কেতেকী গোলাপৰ পাহিত
সানি দিয়ে সুগন্ধি প্ৰলেপ
মোৰ নাকত আহি লাগে
সাৰ পাই উঠোঁ মই
সাৰ পায় মোৰ হৃদয়ত
গোপনে লুকাই থকা বসন্ত
ফুলি উঠে তাত
যৌৱনে ৰং দিয়া একো একোপাহি
গোলাপ তগৰ ।

## আহ্বান

মঃ নাছিৰুদ্দিন আহমেদ
১ম বাৰ্ষিক, উঃ মাঃ

জনমৰ যুগমীয়া মোৰ অসম মাতৃ
ইয়াতেই মিলিছে নানা জাতি উপজাতি ।
দুৰ্জয় প্ৰতাপী বিক্ৰমী জাতি অসমীয়া
নিজৰ ঘৰতে থাকি হ'বানে ভগনীয়া ।
উন্নত অসমীয়া আজি হ'ল পিত মৰা
অনৈক্যৰ সমাধিত হেৰাল বুজাপৰা ।
কেউপিনে দেখিছোঁ মাথো আগ্ৰাসী তিমিৰ
হেৰাল ঐতিহ্য—বহণ আই অসমীৰ ।
আগবাঢ়ি আহা হেৰা সংঘাতে-ভৰা জাতি
উজলাই তোলা মাতৃৰ প্ৰাণৰ প্ৰগতি ।

---

'আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক ।'

— নিৰ্মলপ্ৰভা বৰদলৈ

---

# মানুহ

শ্ৰীৰামদয়াল মহন্ত
১ম বাৰ্ষিক, উঃ মাঃ

পবিত্ৰ ধৰাত জনম লৈ
বিলাস বাসনা সামৰি থৈ,
যদি কৰা জীৱন যাপন
সফল হ'ব শান্তি-সপোন।
সুপথ এৰি বিপথে যোৱা
দুখ-শোক জীৱনত পোৱা,
উদাৰ চেনেহী বসুন্ধৰা
লোভ লালসা কিয়নো কৰা।
মনত ৰাখিবা উচ্চ আশা
কিয় কৰা আনক ভৰসা,
নকৰা পূৰ্ণ আপোন স্বাৰ্থ
নহ'লে হ'ব জীৱন ব্যৰ্থ।
আপোন হাতেৰে কাম কৰা
সগৌৰৱে স্বাৱলম্বী হোৱা,
পঢ়িবা তুমি সমাজ শাস্ত্ৰ
মানুহৰ হোৱা প্ৰিয় পাত্ৰ।
মানৱৰ ই মিলন ভূমি
আনিব লাগিব ঐক্য তুমি,
থাকে যদিহে উদাৰ দৃষ্টি
সুন্দৰ হ'ব মহান সৃষ্টি।

# আই অসমী

মিচ্ ইন্দিৰা ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

যুগে যুগে অনেকেই লিখি গ'ল
আই অসমীৰ বিজয়ৰ গান,
বুকুৰ তেজেৰে ময়ো লিখি যাম
বীৰ ছহিদৰ পূত বলিদান।
নাকান্দিবি মোৰ জননী অসমী
প্ৰতিক্ষণে উজাগৰে আছোঁ আই,
তোৰ বুকুতে জনম লভিছিল
শংকৰ মাধৱ বীৰ চিলাৰায়।
কনক পিয়লি মূলা মণিৰাম
তোৰেই কাৰণে বিসৰ্জিলে প্ৰাণ,
সেই চানেকিৰে আহিছে ওলাই
নতুন দিনৰ নবীন জোৱান।
লুইতপৰীয়া অসমীয়া বীৰ
প্ৰাণত বাজিছে দবা মৃদং খোল,
যাব আগুৱাই যুঁজলৈ ওলাই
শত্ৰু নাশি শুনাব জয় বোল।

# এনাজৰি

শ্ৰীলক্ষেশ্বৰ হাজৰিকা
১ম বাৰ্ষিক, স্নাতক মহলা

কোনো এটি বসন্তত
প্ৰকৃতিৰ এই কাম্য কাননত
খাইছিলা শপত
হিয়াৰ তেজেৰে গঁথা
চেনেহৰ এনাজৰি
নিছিঙিবা হেনো অকালত,
আহিলে বিপদ
মিলিলে সংকট
থিয় হ'বা সমৰ বেশত।
কিয় বাৰু আজি
অজাত কাউৰীৰ
শুনি কল-ৰোল
অবাবত ভীত হৈ
দলে দলে পিচুৱাই যোৱা ?
চাই লোৱা
চলনাই ছিঙে নেকি
যুগমীয়া প্ৰীতিৰ বান্ধোন
নিজকেই সুধি চোৱা
হোৱা নেকি শক্তিহীন
ক'ত কিনো লাগিছে কেৰোণ
চিনি লৈ আপোন জন
শান্তি প্ৰেম ঐক্যৰ মন্ত্ৰেৰে
হাতে হাতে বান্ধি দিয়া
ৰাখী-বান্ধোন
এৰি থৈ বিভীষিকা বিভেদৰ
শুনোৱা জগতক
মংগল উৰুলি বোল।

# নিৰুপায়

শ্ৰীশংকৰ ৰয়
১ম বাৰ্ষিক, উঃ মাঃ

(১)

প্ৰখৰ তাপ
শুকান গছৰ ডাল
পৰি আছে এজাক চৰাই
পেটত ক্ষুধাৰ জুই
চকুত আহাৰৰ অন্বেষণ
নাই ছাঁ—বৈ আছে
শুকান গছৰ ডাল।

(২)

যোৱা কাতিৰ বিহুত
আহিছিলা তুমি
কৈছিলোঁ, আকৌ আহিবা
মাঘৰ বিহুত
চিৰা-পিঠা-পনাৰে
কৰিম অভ্যৰ্থনা
কিন্তু—
কাকতি কৰিং জাকে
কৰিলে তহিলং
সোণ গুটি ধাননি ডৰা
আঘোণতে দেখো মোৰ
উঁৱাল উদং।

## পোছাক

শ্ৰীগৌতম পাটোৱাৰী
১ম বাৰ্ষিক, স্নাতক মহলা

বুজা নুবুজাৰ মাজেৰে
আত্মাহাৰা হৈ শিশুৰে
খেলিলে খেলা,
জনা নজনাৰ মাজেৰে
হিয়া উচাটন কৰি
গাই কত গীত
জুৰালে জননী হিয়া।
তাকে দেখি সময়ে
মাতে ধীৰে ধীৰে
যৌৱনৰ মেলালৈ বুলি
শৰীৰত বৰষে সোণ
যৌৱন জোৱাৰত
উটি বুৰি ভাহি
নিচিনিলে আপোন কোন
বয়সে কাঢ়িলে তাৰ মাদকতা
মুখত বিৰিঙে চিন
অতীত ভৱিষ্য গুনি
বেদ কথা শুনি শুনি
গাই আবেগৰ গীত
উথলি উঠিছে চিত
নিবেদিছে হিয়া সত্য সন্ধানত
মুক্তিৰ চিন্তা অবিৰাম।

## মোৰ কবিতা

মিচ্ প্ৰভাৱতী ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

মোৰ কবিতাত নিৰপৰাধীৰ তেজৰ গোন্ধ নাই
নতুবা গুলীৰ কেঁচা সোৱাদো নাই
মোৰ কবিতা মহাত্মাৰ ফাঁচীৰ ঘোৰ বিৰোধী
ইয়াৰ তেজ-মাংসত হিট্লাৰৰ আদেশ নাই
আইক্মেনৰ হিংস্ৰতাকো কৰে সমাধিস্থ
মোৰ কবিতা ডেউকা ভগা চৰাই নহয়
ই লুইত গংগা সিন্ধু ভল্গা নীল
হোৱাংহোৰ ইকূল সিকূলৰ
ধৰ্ষিতা নাৰীৰ উচুপনিত আৰু অনাহাৰীৰ
পেটকামোৰণিত অমোঘ বিদ্ৰোহী
অত্যাচাৰীৰ কলিজা চিৰাচিৰ কৰা মন্ত্ৰ
ইয়াৰ ইস্তাহাৰত লিপিবদ্ধ হয় ভাইটিৰ
অমল আত্মীয়তাৰ মধুৰ স্বপ্ন
মোৰ কবিতা গৰ্ভৱতী কল্লোলিনী শীতল বৃষ্টি
মৰুভূমিৰ কাৰণক হুৰাই দিয়াৰ অস্ত্ৰ
জাবত ঠেৰেঙা লগা শিশুৰ বাবে
মোৰ কবিতা এক প্ৰদীপ্ত শিখা।

# নাম মোৰ বিপ্লৱ

শ্ৰীভাস্কৰজ্যোতি দাস
১ম বাৰ্ষিক, উঃ মাঃ (বিজ্ঞান)

নাম মোৰ বিপ্লৱ
সমুখত সদায়
বিৰাজিত অত্যাচাৰ অনাচাৰ নিপীড়ন
দুখ আৰু কান্দোন
আৰু পিচত সদায়
মোৰ নৱসৃষ্টিৰ উত্তাল ঢৌ
নতুনক পোৱাৰ আনন্দৰ হাঁহিৰ উজ্জ্বল পোহৰ।
সুধিছা তুমি, কোন দেশ মোৰ জনম ভূমি
জানিবলৈ বিচাৰিছা জাতি আৰু ধৰ্মৰ নাম
জনমভূমি বুলিবলৈ নাই কোনো নিৰ্দ্দিষ্ট দেশ
নাই কোনো ধৰম জাতি
নাম মোৰ বিপ্লৱ।

দেশৰ সীমা গচকি
দেশে দেশে হওঁ দেশান্তৰী
ক'ত বাৰু অৱস্থিত প্ৰাচীৰ
অৰুণৰ তেজোদ্দীপ্ত ৰশ্মিক
কৰিব পাৰে বাধা প্ৰদান
চিৰ প্ৰবাহমান মোৰ গতি
ভীতিৰ পিত ভাঙি আগুৱাওঁ মই
নাম মোৰ বিপ্লৱ।

নাম মোৰ বিপ্লৱ
বন্দনা কৰাৰ আমন্ত্ৰণ কৰাৰ
নাই কোনো প্ৰয়োজন
দুষ্কৃতিৰ দুৰ্নীতিৰ শাসন আৰু শোষণৰ
য'তেই চলিছে অত্যাচাৰ নিপীড়ন
হয় আবিৰ্ভাৱ তাতেই মোৰ
অন্যায়ৰ গৰ্ভত মোৰ দুবাহুৰ শক্তিৰ সঞ্চাৰ
তাতেই মই বিধ্বংসী অভিশাপ
নাম মোৰ বিপ্লৱ।

ন্যায়ৰ সুখ শান্তিৰে ভৰা বোকোচাত
ঘটে মোৰ স্বেচ্ছাই মৃত্যু বৰণ
নাম মোৰ বিপ্লৱ।

# আশা

মিচ্ দুর্গা ৰাণী কলিতা
১ম বাৰ্ষিক, স্নাতক মহলা

মোৰ কল্পনাই দিগন্ত বিয়পি
তোমাক বিচাৰি যায়,
অকলে অকলে চৌদিশ চলাথি
তোমাৰেই গীত গায়।
কতনা আশাৰে আছোঁ বাট চাই
এদিন আহিবা বুলি,
পাওঁ যদি দেখা এটিবাৰ মই
তুলি ল'ম পদধূলি।
পৃথিবীৰ এই কঠিন পথত
পালিছোঁ অমল ব্ৰত,
তোমাৰ দুৰ্লভ চেনেহ মালাৰে
সজাম জীৱন ঘট।

# আগত দিনৰ প্ৰতিজ্ঞা

মঃ ফজলুৰ ৰহমান খাঁন
১ম বাৰ্ষিক, স্নাতক মহলা

ইয়াত স্বাধীনতাৰ
সেই সুন্দৰ ছবিখন হেৰাই থাকিল
হেৰাল কৃষক শ্ৰমিকৰ আকাংখিত
উন্নত জীৱনৰ স্বপ্ন
এনে অৱস্থাত আহিবনে কবিৰ ভাষা
বিচ্ছিন্নতাৰ উন্মাদ উশৃংখল ধ্বনিত
আকাশ বতাহ আজি মুখৰিত
সাম্প্ৰদায়িক সংঘৰ্ষত
মুখ থেতেলা খাই পৰি থাকে
আমাৰ সমাজ সভ্যতা আৰু ঐক্য
কিন্তু এতিয়াতো ইয়াৰ বিৰুদ্ধে
প্ৰতিবাদ কৰিলেই গৰ্জি উঠে
সন্ত্ৰাসীৰ বন্দুকৰ নলী
তথাপিতো এৰা নাই আগত দিনৰ
নিৰ্ভীক বজ্ৰসম কঠিন প্ৰতিজ্ঞা।

# সাৰ পাম আকৌ এবাৰ

—বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

বন্ধুসকল,
তোমালোকৰ চিনাকি পথেৰেই মাজনিশা
সিহঁতে মোক আইৰ বুকুৰ পৰা
কাঢ়ি আনিছিল
উদ্ধত হাতৰ খামোচত মোৰ ডিঙিৰ
শিৰবোৰ ফুলি উঠিছিল
চকুপানী শিল হৈ গৈছিল
কলিজাৰ তেজবোৰ টোপাটোপে
সৰি পৰিছিল কঠিন পথ আৰু
শুকান পথাৰত
প্ৰভঞ্জন প্ৰতিবোধৰ চিৎকাৰ
এৰি আহিছো প্ৰতিটো পদূলিত।
সঁচা ক'লে ভয় খাওঁতেই জানিছিলো
অবাঞ্ছিত আসন্ন মৃত্যুৰ কথা
সেয়ে গভীৰ অৰণ্যত মোক
খুচি খুচি পুতি থলে
সিহঁতৰ নিৰ্মম ধেমালিত নিশাৰ
নিৰ্জনতাই আতংকত চক্ খাইছিল
দোভাগৰ জোনটো লাজতে মেঘ হৈ
ওলমিছিল
ঝিলিৰ মাতত তেতিয়া সভ্যতাৰ
অসহায় আৰ্তনাদ
বুঢ়া ঈশ্বৰ জনো শুই থাকিল
কদৰ্য শেতেলিত।
মাজ নিশা সিহঁতে মোক আইৰ বুকুৰপৰা
কাঢ়ি আনিছিল
কলিজাৰ তেজবোৰ পৰি আছে
কঠিন পথ শুকান পথাৰত
বন্ধুসকল, মোৰ আইক কবা
তোমালোকৰ বুকুৰ মাজতে মই।
আলফুলে শুই আছো
সময় হ'লে সাৰ পাম আকৌ এবাৰ
পৰি থকা তেজৰ বুকুত। ●

---

'ঘুণ ধৰা এই ধৰণীখন/খামোচ মাৰি ধৰি,
জীৱনৰ তোৰ অসীম গতিক/দিবি কিয় ফাঁকি ?
—অম্বিকাগিৰী ৰায়চৌধুৰী

# কেইটিমান স্তৱক

– দিলীপ দাস
মুবব্বী অধ্যাপক, ইংৰাজী বিভাগ

(১)

এতিয়া তোমালৈ আই,
মোৰ বৰ ভয়
সমুখত ওলালেই জানোচা সোধা :
'তুমি কোন ?'

তুমিতো সুধিবাই
তোমাৰ ওচৰত
অথনিয়েই যে এৰি থৈ আহিছোঁ
মোৰ অঙ্গীকাৰ !

এতিয়া ইমান বেলিৰ মূৰকত
কি সাহত ওলাওঁ তোমাৰ সমুখত ?
কি সাহত দেখুৱাওঁ তোমাক
মোৰ শূন্য দুহাত
আৰু দোঁ-খোৱা মূৰ ?

(২)

তোমাৰ মোৰ নিছিদ্ৰ নিবিড়তাত
এতিয়া বহু যোজনৰ ব্যৱধান
তোমাৰ চিনাকি মোৰ মুখত
সস্তীয়া প্ৰসাধনৰ বিভ্ৰান্তিকাৰী পয়োভৰ
কি উপায়ে চিনিবা
এতিয়া লগ পালে মোক ?

অকাৰণে কেতিয়াবা মনলৈ আহিলে
ভাল লগা কবিতাৰ একোটি ক'লি
মনৰ পদূলিত অগা-ডেৱা কৰে তোমাৰ মুখনি
বুকুৰ ভিতৰত চকামকাকৈ যেন দেখা পাওঁ
পাই হেৰোৱা এটি মৰমৰ মণি ।

---

'যি সত্যদ্ৰষ্টা কবি, তেওঁ কেতিয়াও জীৱনৰ উপলব্ধিক আন্তৰিকতাৰে প্ৰকাশ কৰিবলৈ ভয় নকৰে । ব্যৱহাৰিক জীৱনত অৱশ্যে মানুহে বহুত সময়ত নিজৰ প্ৰাণৰ কথা গোপন ৰাখিও গতানুগতিকতাক মানি চলি যায় । কিন্তু যি প্ৰকৃত কবি তেওঁ ব্যক্তিগত ব্যৱহাৰিক সুবিধাৰ কাৰণে অন্তৰৰ সত্য গোপন নকৰে ।'

ভৱানন্দ দত্ত

# প্ৰবন্ধ

## বিষ্ণু ৰাভা ঃ ঝঞ্ঝা-বিজয়ী ব্যক্তিত্ব

শ্ৰীশংকৰ মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

তাহানি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিৰ্মাণ কৰি যোৱা অসমীয়া কলা-সংস্কৃতিৰ যিটো সেন্দুৰীয়া আলিৰে তেওঁৰ মহাপ্ৰয়াণৰ পিচত সোণ-চেঁকুৰা বুটলি সময়ে সময়ে যি সকলে একো একোটি উজ্জ্বল নক্ষত্ৰৰ দৰে অগ্ৰসৰ হৈ আছে সেই সকলৰ ভিতৰত প্ৰয়াত বিষ্ণু ৰাভা নিসন্দেহে অন্যতম। ব্যক্তিত্বৰ বৈচিত্ৰ্যেৰে ৰঞ্জিত এই গৰাকী ব্যক্তিৰ জীৱন-ইতিহাস যিমানে সংঘাতপূৰ্ণ আৰু ঝঞ্ঝা-ধূসৰিত, সিমানে চাঞ্চল্যকৰ, প্ৰাণোদ্দীপক আৰু অনুপ্ৰেৰণাদায়ক। কেতিয়াবা এনে লাগে তেওঁ যেন কোনো ৰূপকথাৰ ৰূপকোঁৱৰ, কোনো উপন্যাসৰ দুৰ্ধৰ্ষ চৰিত্ৰ। গদাপাণি কোঁৱৰ যেন তেঁৱে, তেঁৱে যেন গদাপাণি কোঁৱৰ। তেওঁৰ ব্যতিক্ৰমী জীৱন আৰু কৰ্মৰাজিৰ বিভিন্ন দিশৰ ওপৰত সাধাৰণভাৱে আলোকপাত কৰাই আমাৰ এই প্ৰবন্ধৰ উদ্দেশ্য।

বিষ্ণু ৰাভাৰ জন্ম ১৯০৯ চনৰ ৩১ জানুৱাৰীত, বৰ্তমান বিদেশী ৰাষ্ট্ৰৰ ঢাকাত। চুবাদাৰৰ চাকৰি কৰা দেউতাকে অৱসৰ লোৱাৰ পিচত যেতিয়া তেজপুৰত স্থায়ীভাৱে বসতি কৰিবলৈ লয় তেতিয়াৰ পৰাই যেন ৰাভাৰ দেহত সঞ্চালিত হবলৈ ধৰে অসমীয়া জাতিৰ কলিজাৰ তেজ।

দুটা সম্পূৰ্ণ বিপৰীতমুখী পথৰ দিগ্বিজয়ী যাত্ৰী আছিল বিষ্ণু ৰাভা। এটা আছিল সৈনিকৰ পথ আৰু আনটো আছিল শিল্পীৰ পথ। এটা পথত বিপ্লৱ—পদে পদে সংঘাত, বিপদৰ আগ জাননী, চয়তানৰ আক্ৰমণ। আনটো পথ চিৰ সুন্দৰ, চিৰ সেউজীয়া, মনোমোহা সেন্দুৰীয়া আলি।

সৈনিক বিষ্ণু ৰাভা! কাৰো ইংগিতত তেওঁ সৈনিক সজা নাছিল। কাৰো আদেশত তেওঁ সময়ত ষ্টেনগান হাতত তুলি লোৱা নাছিল। সৈনিক সাজিছিল জনতাৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাৰ খাতিৰত। নিজ বিবেকৰ আদেশত তেখেতে সৈনিক সাজিছিল, সংগ্ৰাম কৰিছিল। 'সুৰৰ বৈৰী' নাশ কৰি শংকৰে যেনেকৈ তাহানি সমাজৰ পংকত পদুম ফুলাইছিল, বিষ্ণু ৰাভায়ো যেন তেওঁৰ পদানুসৰণ কৰি অন্যায় অনীতি, শোষণ-উৎপীড়ন আদিৰ বিৰুদ্ধে মনৰ অদম্য উৎসাহ আৰু সাহসেৰে, দেহৰ প্ৰতি টোপাল তেজেৰে যুঁজি কাঁইটৰ মাজত গোলাপ ফুলোৱাৰ প্ৰয়াস কৰিছিল।